# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৩০/ ২০২০

## গণৰাজ্য দিৱসত স্বতঃস্ফূৰ্তভাৱে অংশ গ্ৰহণ কৰা বাবে অসমবাসীলৈ মুখ্যমন্ত্ৰীৰ ধন্যবাদ জ্ঞাপন

**দিছপুৰ, ২৭ জানুৱাৰী ঃ** জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে ৰাজ্যৰ সকলো শ্ৰেণীৰ জনসাধাৰণে স্বতঃস্ফূৰ্ত অংশ গ্ৰহণেৰে ৭১ তম গণৰাজ্য দিৱসৰ কাৰ্যসূচী সাফল্যমণ্ডিত কৰি তোলা বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অসমববাসীক ধন্যবাদ জ্ঞাপন কৰিছে। আজি এক বিবৃতি যোগে মুখ্যমন্ত্ৰীয়ে কয় যে গণৰাজ্য দিৱসৰ কাৰ্যসূচী সফল ভাবে ৰূপায়ণৰ জৰিয়তে ৰাজ্যবাসীয়ে আমাৰ গণতান্ত্ৰিক ব্যৱস্থাটোক আৰু অধিক শক্তিশালী কৰি তুলিলে।

আনহাতে কালি গণৰাজ্য দিৱস উপলক্ষে মহানগৰীৰ শ্ৰদ্ধাঞ্জলি কাননত অনুষ্ঠিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অংশ গ্ৰহণ কৰে। মুখ্যমন্ত্ৰীয়ে স্বাধীনতাৰ হকে চৰম ত্যাগ কৰা শ্বহীদ সকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই উপলক্ষে আয়োজিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে স্বাধীনতা সেনানীসকলক স্মৰণ কৰি কয় যে জাতিৰ পিতা মহাত্মা গান্ধী ৰাষ্ট্ৰৰ আদৰ্শ। সমগ্ৰ দেশে শ্ৰদ্ধা, ভক্তি সহকাৰে গণৰাজ্য দিৱস উদযাপন কৰাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমি সকলোৱে ৰাষ্ট্ৰ নিৰ্মাণৰ কামত অগ্ৰসৰ হ'ব লাগিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অসমক শক্তিশালী ৰাজ্য হিচাপে গঢ় দিয়াৰ বাবে ৰাজ্যখনত বসবাস কৰা সকলো জাতি-জনগোষ্ঠীৰ লোকে ঐক্যবদ্ধ ভাবে কাম কৰিব লাগিব। ৰাজ্যখনৰ সাতামপুৰুষীয়া শান্তি-সম্প্ৰীতি অটুট ৰখাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আমাৰ নতুন প্ৰজন্মক শক্তিশালী ভাবে আগুৱাই লৈ যাব লাগিব। ৰাজ্যখনত উপযুক্ত শৈক্ষিক পৰিৱেশ অক্ষুণ্ণ ৰখাৰ ওপৰতো মুখ্যমন্ত্ৰীয়ে গুৰুত্ব আৰোপ কৰে। মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ জনসাধাৰণক কঠোৰ পৰিশ্ৰম কৰি ৰাজ্যখনৰ বিকাশৰ দিশত নতুন গতি প্ৰদান কৰিবলৈও আহ্বান জনায়।

**পুঃডেঃ / বীঃগঃ / বঃভাঃ**
**২৭/০১/২০২০**